# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 26-04-2025

**Time :** 17-15 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিদিনে নিৰ্বাচনী প্ৰচাৰত অংশ লৈছে। মুখ্যমন্ত্ৰগৰাকীয়ে আজি বৰাকৰ কেইবাটাও স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীভূমি জিলাৰ নিলাম বজাৰত আয়োজিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি সমৰ্থিত প্ৰাৰ্থীসকলক ভোট দিব আহ্বান জনায়। শ্ৰীভূমি আয়োজিত সংকল্প সভাত মন্ত্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰী কৌশিক ৰায়, বিধায়ক বিজয় মালাকাৰ, কমলাক্ষ দে পুৰকায়স্থসহ জিলা বিজেপিৰ শীৰ্ষ নেতা উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীয়ে শিলচৰ আৰু হাইলাকান্দিতো দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই **চৰাইদেউ** জিলাৰ মাহমৰা সমষ্টিৰ কচুমাৰীত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীক দলীয় সমৰ্থকসকলে বিহু নাচেৰে আদৰণি জনোৱা হয়।

শিক্ষামন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ডা০ ৰণোজ পেগুৱে ধেমাজি জিলাত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে আজি ধেমাজি বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিটাকৈ পঞ্চায়তত আয়োজিত কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ জীয়াধল, হাতীগড়, বাটঘৰীয়া আৰু লক্ষীপথাৰ গাঁও পঞ্চায়তত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

ooooo

মানকাচৰত অহা ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে হাটশিঙিমাৰী জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে হাটশিঙিমাৰীত আয়োজিত প্ৰিজাইডিং আৰু প'লিং বিষয়াৰ দুদিনীয়া প্ৰশিক্ষণৰ আজি সামৰণি পৰে। এই প্ৰশিক্ষণ কাৰ্যসূচীত এহেজাৰ ৮৫১ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়াই অংশগ্ৰহণ কৰে। সম্পূৰ্ণ মহিলাৰ দ্বাৰা পৰিচালিত হ'বলগীয়া ২৫টা ভোটগ্ৰহণ কেন্দ্ৰত নিয়োজিত শতাধিক মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়াকো প্ৰশিক্ষণ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে দক্ষিণ শালমাৰা- মানকাচৰ জিলাৰ মানকাচৰ বিধানসভা সমষ্টিৰ অধীনত ৩৫ খন গাঁও পঞ্চায়তত ৪০৬টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। বাংলাদেশ সীমান্তৱৰ্তী জিলাখনৰ প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

কামৰূপ জিলাৰ আমিনগাঁৱত থকা সংহত জিলা কাৰ্যালয়ৰ সভাকক্ষত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সহযোগিতাত অনুষ্ঠিত সভাখনত বেলট পেপাৰ,

ডাটা মেনেজমেণ্ট, প্ৰশিক্ষণ, পৰিবহণ, নিৰ্বাচনী সামগ্ৰী, ষ্ট্ৰং ৰুম সম্পৰ্কীয় বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰা হয়।

**গোলাঘাট** জিলা প্ৰশাসনৰ উদ্যোগত আজি নিৰ্বাচনী পৰ্যবেক্ষক মধুসূদন দাসৰ উপস্থিতিত প্ৰিজাইডিং আৰু প'লিং বিষয়াৰ বিশেষ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়া উপস্থিত থাকে।

ooooo

কাশ্মীৰৰ পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক সমৰ্থন কৰা লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে বিভিন্ন স্থানত অভিযান অব্যাহত ৰাখিছে। পহলগামৰ নৃশংস ঘটনাৰ সন্দৰ্ভত সামাজিক মাধ্যমত দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত আজি গুৱাহাটীৰ পৰা ডিম্পল বৰুৱা ওৰফে দধীচি ডিম্পলক গোলাঘাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। একেদৰে শ্ৰীভূমি জিলাৰ কালিগঞ্জৰ পৰা মুস্তাক আহমেদ ওৰফে ছাহিল হক নামৰ যুৱক এজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। কামৰূপ জিলাৰ হাজোৰ পৰা আন এজন লোকক অনুৰূপ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে দেশ বিৰোধী মন্তব্য কৰা লোকক গ্ৰেপ্তাৰ কৰা হ'ব। সামাজিক মাধ্যমত আপত্তিজনক পোষ্ট পৰীক্ষা কৰি থকা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

কাশ্মীৰৰ পহলগামত সংঘটিত আক্ৰমণৰ ঘটনাৰ বিৰোধিতাৰে আজি লংকা মহাবিদ্যালয়ত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ লংকা মহাবিদ্যালয় শাখাৰ উদ্যোগত এই বিক্ষোভ কাৰ্যসূচী অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ পৰা শিক্ষাৰ্থীসকলে সমদল কৰি আহি ৰাষ্ট্ৰীয় ঘাইপথত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ছাত্ৰ-ছাত্ৰীসকলে সন্ত্ৰাসবাদীৰ পুত্তলিকা আৰু পাকিস্তানৰ পতাকা দাহ কৰে।

ooooo

ধুবুৰীৰ পাঁচমহলীয়া জিলা ন্যায়িক আদালত ভৱন আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণৰে ন্যায়িক আদালত ভৱন উদ্বোধন কৰে। উদ্বোধনী কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আয়োজিত অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়া উপস্থিত থাকে। অনুষ্ঠানত জিলা ন্যায় পালিকা আৰু ধুবুৰী উকিল সন্থাৰ তৰফৰ পৰা কেইবাজনকো সম্বৰ্ধনা জনোৱা হয়। আজিৰ অনুষ্ঠানত জিলা ন্যায় পালিকাৰ অন্যান্য ন্যায়াধীশ, কৰ্মচাৰী, জিলাখনৰ আৰক্ষী অধীক্ষক, জিলা প্ৰশাসনৰ শীৰ্ষ আমোলা বিষয়াকে ধৰি ধুবুৰী উকিল সন্থাৰ বিষয়ববীয়া উপস্থিত থাকে।

ooooo

বজালী জিলাৰ ভৱানীপুৰত এখন নৈশ বাছৰ পৰা নকল সোণৰ নাও জব্দ কৰা হৈছে। ভৱানীপুৰ আৰক্ষী চকীৰ এটা দলে ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই এখন নৈশ বাছৰ পৰা কেইবাখনো নকল সোণৰ নাও জব্দ কৰে। ঘটনা সন্দৰ্ভত ফিৰোজ আলী নামৰ যাত্ৰীজনক আটক কৰা হৈছে।

ooooo

গুৱাহাটী চিটী ফুটবল ক্লাবে গুৱাহাটীত এটা উন্নতমানৰ আৱাসিক ফুটবল একাডেমী আৰম্ভ কৰাৰ কথা ঘোষণা কৰে। মহানগৰীৰ গড়চুকত থকা কাজিৰঙা ইংলিছ একাডেমীৰ চৌহদত উন্নতমানৰ ফুটবল একাডেমীটো গঠন কৰা হ'ব বুলি ক্লাব কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। একাডেমীটোত ছাত্ৰ-ছাত্ৰীসকলে একেলগে একেটা চৌহদত চি বি এছ ই পাঠ্যক্ৰমৰ অধীনত শিক্ষা আৰু উন্নতমানৰ প্ৰশিক্ষণ লাভ কৰিব। অসম অলিম্পিক সন্থাৰ কাৰ্যালয়ত আজি অনুষ্ঠিত এখন সংবাদমেলত গুৱাহাটী চিটী ফুটবল ক্লাবৰ সঞ্চালক সিদ্ধাৰ্থ শংকৰ ডেকাই এই কথা প্ৰকাশ কৰে। অহা মে' মাহত আগ্ৰহী খেলুৱৈ আৰু অভিভাৱক বাবে বাছনি আৰু কেম্পাছ ভিজিটৰ ব্যৱস্থা কৰা হ'ব বুলি লগতে তেওঁ জানিবলৈ দিয়ে।

ooooo

সমাপ্ত